**৬.০২ ভাষা-বিজ্ঞানৰ প্ৰকাৰ ঃ**

**অধ্যয়নৰ বিষয় আৰু প্ৰকৃতি অনুসৰি ভাষাবিজ্ঞানৰ বিভাজন ঃ**

ভাষাক বিভিন্ন দৃষ্টিকোণৰপৰা বিচাৰ আৰু বিশ্লেষণ কৰা হয়। ভাষা সদায় একেদৰে নাথাকে, সময়ৰ সোঁতত বিভিন্নজনৰ মুখত পৰি ভাষাৰ পৰিৱৰ্তন ঘটে। ভাষাৰ পৰিৱৰ্তন মানে ভাষাৰ আভ্যন্তৰীণ গঠন অৰ্থাৎ ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ আদিৰ পৰিৱৰ্তন। কুৰি শতিকাৰ আগলৈকে ভাষাবিজ্ঞানীসকলে একোটা ভাষাৰ সময়ৰ সোঁতত হোৱা পৰিৱৰ্তন অৰ্থাৎ এটা কাল বা স্তৰৰ পৰা আন এটা কাল বা স্তৰলৈ হোৱা পৰিৱৰ্তনৰ গতি-প্ৰকৃতি সম্পৰ্কে কৰা আলোচনাৰ মাজতেই আবদ্ধ আছিল। কিন্তু কুৰি শতিকাৰ পাছৰ পৰা ভাষাৰ গাঁথনিক স্বৰূপ অৰ্থাৎ এক কালখণ্ড জুৰি একোটা ভাষাই যি ৰূপত বৰ্তী থাকে, সেই ভাষাৰ এক কালিক বা সমকালিক ৰূপৰ বিশ্লেষণ কৰাত গুৰুত্ব প্ৰদান কৰিলে। তদুপৰি ভাষাসমূহৰ তুলনামূলক আলোচনা কৰাৰ ক্ষেত্ৰতো ভাষাবিজ্ঞানীসকল আগ্ৰহী হৈ উঠিল। এনেদৰে একোটা ভাষাক বিভিন্ন দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা, গুৰুত্ব আৰু প্ৰাসংগিকতা ভাষাবিজ্ঞানীসকলে স্বীকাৰ কৰি আহিছে।

ভাষা অধ্যয়নৰ প্ৰয়োজনীতা আৰু প্ৰাসংগিকতালৈ লক্ষ্য কৰি আৰু আধুনিক ভাষাবিজ্ঞানীসকলে চলাই থকা ভাষা অধ্যয়নৰ বিষয় আৰু প্ৰকৃতিলৈ লক্ষ্য ৰাখি ভাষাবিজ্ঞানক তিনিটা প্ৰধান ভাগত বিভক্ত কৰা হৈছে। এই প্ৰধান ভাগকেইটা হৈছে—

(১) বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics)
(২) ঐতিহাসিক ভাষাবিজ্ঞান (Historical Linguistics)
(৩) তুলনামূলক ভাষাবিজ্ঞান (Comparative Linguistics)

কোনো কোনো ভাষাবিজ্ঞানীয়ে ভাষাবিশ্লেষণ পদ্ধতিৰ প্ৰকৃতি অনুসৰি কৰা ভাষাবিজ্ঞানৰ ভাগক তলত দিয়াৰ দৰেও নামকৰণ কৰিছে —

(১) সমকালিক ভাষাবিজ্ঞান (Synchronic Linguistics)
(২) ক্ৰমকালিক ভাষাবিজ্ঞান (Diachronic Linguistics)
(৩) তুলনামূলক ভাষাবিজ্ঞান (Comparative Linguistics)

আধুনিক ভাষাবিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য চচ্যুৰৰ ভাষা চিন্তাৰ এটা প্ৰধান মৌলিকত্ব হৈছে ভাষাৰ অধ্যয়নক দুটা ভাগ কৰি দেখুওৱা; এটা হৈছে কালক্ৰমিক বা ক্ৰমকালিক (Diachronic) আৰু আনটো হৈছে এককালিক বা সমকালিক (Synchronic)। অৱশ্যে তেওঁ এককালিক ভাষা অধ্যয়নতহে বেছি অধিক নিবদ্ধ কৰি এই দিশৰ আলোচনাত গুৰুত্ব দিছিল আৰু প্ৰয়োজনীয়তাৰ প্ৰতিও সচেতন

আছিল। যিহেতু কালক্ৰমিক ভাষাবিজ্ঞানৰ অধ্যয়নৰ ভাষা পৰিবৰ্তনৰ মাজতে সীমাবদ্ধ। সেইকাৰণে ভাষাৰ অধ্যয়নক এই সীমাবদ্ধতাৰ পৰা মুকলি কৰি এটা কালখণ্ড জুৰি সামঞ্জস্য ৰূপত বৰ্তী থকা ভাষাৰ উপাদানসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক বিচাৰ কৰাই চচ্যুৰৰ ভাষাচিন্তাৰ প্ৰধান লক্ষ্য আছিল।

মানৱ-সভ্যতা-সংস্কৃতি বিকাশৰ লগে লগে জ্ঞানৰ জগততো নতুন নতুন চিন্তা-চৰ্চাৰ দিক্ উন্মোচিত হৈছে। বিশেষকৈ উনবিংশ শতিকাত পশ্চিমীয়া ভাষা-চিন্তা জগতত প্ৰচলিত ধ্যান-ধাৰণাৰ, চিন্তা-চৰ্চাৰ পৰা আঁতৰি আহি এক নতুন চিন্তা-চেতনাৰ আদৰ্শৰ জোৱাৰ ব'বলৈ ধৰে। আনহাতে এই নতুন চিন্তা-চেতনাৰ জোৱাৰ গতিশীল আৰু বাস্তৱানুৰাগ হোৱাৰ বাবে আধুনিক ভাষাবিজ্ঞানীসকলৰ মনক অধিক আকৰ্ষণ কৰিলে। ফলত তেওঁলোকৰ ভাষা-চিন্তাত নতুন নতুন ৰীতিৰ সংযোজন ঘটে। ভাষাচিন্তাৰ এই নতুন ৰীতিসমূহ কেৱল ভাষা চিন্তাৰ মাজতে আবদ্ধ নাথাকি ভাষাৰ লগত সম্পৰ্ক থকা অন্যান্য বিষয়সমূহ, যেনে — নৃবিজ্ঞান, সমাজবিজ্ঞান, মনোবিজ্ঞান, দৰ্শন, ভূগোল, প্ৰযুক্তিবিদ্যা আদিৰ লগতো জড়িত হৈ পৰিল। ফলস্বৰূপে কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ পৰা আধুনিক ভাষা-চিন্তাৰ অংগ হিচাপে নতুন নতুন প্ৰশাখাই ভাষাবিজ্ঞানৰ অধ্যয়নৰ বিস্তীৰ্ণ ক্ষেত্ৰখন সামৰি ল'লে। বিশেষকৈ শিক্ষাৰ প্ৰসাৰ আৰু বৈজ্ঞানিক উপকৰণৰ প্ৰগতিৰ লগে লগে ভাষাবিজ্ঞানৰ নানা সমল প্ৰযুক্ত হৈ নতুন নামকৰণেৰে নতুন শাখাৰ বিকাশ ঘটিল। ভাষা চিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক নতুন দিশবোৰক তলত দিয়া ধৰণে নামকৰণ কৰা হৈছে —

(ক) ভেদাত্মক বা বৈপৰীত্যমূলক ভাষাবিজ্ঞান(Constructive Linguistics)

(খ) মনো-ভাষাবিজ্ঞান (Psycho Linguistics)

(গ) সমাজ-ভাষাবিজ্ঞান (Socio Linguistics)

(ঘ) ভূ-ভাষাবিজ্ঞান (Geographical Linguistics)

(ঙ) প্ৰয়োগ-ভাষাবিজ্ঞান (Applied Linguistics)

**৬.২.১ বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics) ঃ**

ভাষাবিজ্ঞানৰ জন্মদাতা ফাৰ্ডিনাণ্ড দ্য চচ্যুৰে ভাষাৰ অধ্যয়নৰ দুটা দৃষ্টিভংগীৰ কথা উল্লেখ কৰিছে, যেনে — এককালিক (Synchronic) আৰু কালক্ৰমিক (Diachronic)। 'Syn' মানে লগতে বা সৈতে আৰু 'Chronic' মানে এক বিশেষ কালৰ বা সময়ৰ অৰ্থাৎ এটা বিশেষ কালৰ বা সময়ৰ। আনহাতে 'Dia' মানে অতিক্ৰমি অৰ্থাৎ 'Diachronic' মানে হৈছে একাধিক সময় বা কাল

অতিক্রমি। চচ্যুৰৰ এককালিক ভাষাবিজ্ঞানক 'বৰ্ণনাত্মক ভাষাবিজ্ঞান' বুলি কোৱা হয়। তেওঁ এককালিক ভাষাবিজ্ঞানৰ অধ্যয়নত বেছি গুৰুত্ব দিছিল। বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ প্ৰধান কাম হৈছে, ভাষাৰ এটা কাল স্তৰৰ ভাষিক গতি-প্ৰকৃতি সম্পৰ্কে বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰা। ভাষাটো সময়ৰ গতিত কেনেধৰণৰ পৰিৱৰ্তন হৈছে, এই সম্পৰ্কে বৰ্ণনাত্মক ভাষাবিজ্ঞানীসকলে আওকাণ কৰি চলে, বোঁৱতী নদীৰ পানী যেনেকৈ গতিশীলতাৰে আগবাঢ়ি যায়, বিশেষ এক মুহূৰ্তৰ বাবেও থমকি নৰয়, ঠিক তেনেদৰে ভাষাইও গতিশীলতাৰে আগবাঢ়ে। এনেদৰে আগবাঢ়োঁতে বিভিন্নজনৰ মুখত ভাষাৰ পৰিৱৰ্তন ঘটে। ভাষাৰ এই পৰিৱৰ্তিত ৰূপৰ কথা বৰ্ণনাত্মক ভাষাবিজ্ঞানীসকলে আওকাণ কৰি চলে। সাধাৰণতে তেওঁলোকে সময়ক স্থিতিশীল বুলি ভাবি লয়, সেইকাৰণে তেওঁলোকে এটা সময়ৰ পৰিধিৰ মাজত বৰ্তী থকা ভাষাৰ ৰূপটোকহে অধ্যয়ন কৰাত অধিক গুৰুত্ব দিয়া দেখা যায়। এই ক্ষেত্ৰত বৰ্ণনাত্মক আৰু ঐতিহাসিক ভাষাবিজ্ঞানৰ ভাষাৰ অধ্যয়নৰ মাজত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। বৰ্ণনাত্মক ভাষাবিজ্ঞানীসকলে বিশেষকৈ ভাষাৰ আভ্যন্তৰীণ গঠনৰ দিশত বেছি গুৰুত্ব দিয়ে, আনহাতে ঐতিহাসিক ভাষাবিজ্ঞানীয়ে সময়ৰ সোঁতত পৰিৱৰ্তন হোৱা ভাষাৰ গতি-প্ৰকৃতি সম্পৰ্কেহে আলোচনা কৰে। ভাষাটোৰ পূৰ্ব ৰূপ কি আছিল, কেনে পৰিৱৰ্তনৰ মাজেদি আহি ভাষা এটাই বৰ্তমানৰ ৰূপ লৈছেহি এনেবোৰ কথা বৰ্ণনাত্মক ভাষাবিজ্ঞানত আলোচনা নহয়; ঐতিহাসিক ভাষাবিজ্ঞানতহে এনেবোৰ কথাৰ বিষয়ে আলোচনা কৰা হয়।

সাধাৰণতে বৰ্ণনাত্মক ভাষাবিজ্ঞানত ভাষা এটাৰ কথিত ৰূপটোৰ অধ্যয়নতহে অধিক গুৰুত্ব দিয়া হয়। একোটা ভাষাই ব্যক্তিভেদে, সমাজভেদে ভিন্ ভিন্ ৰূপ ল'ব পাৰে। মন কৰিবলগীয়া যে, একেটা ভাষাকে বিভিন্ন পৰিস্থিতি, পৰিৱেশ অনুসৰি একেজন মানুহে পাৰিবাৰিক জীৱন, সামাজিক জীৱন, বৃত্তিগত জীৱনত ভিন্ন ধৰণে ব্যৱহাৰ কৰে। বৰ্ণনাত্মক ভাষাবিজ্ঞানীসকলে ভাষাৰ এনে সূক্ষ্মাতিসূক্ষ্ম কথাবোৰলৈ আওকাণ কৰা দেখা যায়। বৰ্ণনাত্মক ভাষাবিজ্ঞানীয়ে ভাষাৰ গাঁথনিক স্তৰটোতহে অধিক গুৰুত্ব দিয়ে। ভাষাৰ গঠন পদ্ধতিৰ দিশত অধিক গুৰুত্ব আৰোপ কৰাৰ বাবে বৰ্ণনাত্মক আধুনিক ভাষাবিজ্ঞানীসকলে **গঠনাত্মক ভাষাবিজ্ঞান** (Structural Linguistics) বুলিও অভিহিত কৰিছে। চমু কথাত, বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ এক আধুনিকতম ৰূপ হৈছে **গঠনাত্মক ভাষাবিজ্ঞান**। বিভিন্ন উপাদানেৰে সমৃদ্ধ হৈ ভাষা এটা গঠন হয়। ভাষাৰ প্ৰধান উপাদানসমূহ হৈছে — ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ। ভাষাৰ প্ৰত্যেকটো উপাদানেই অৰ্থাৎ ধ্বনি, ৰূপ,

বাক্য আৰু অৰ্থ পৰস্পৰৰ লগত সুসংগতভাৱে জড়িত। ভাষাৰ এটা উপাদানৰ পৰিৱৰ্তনে আন এটা উপাদানৰ ওপৰত প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে ভাষাৰ শব্দ এটাৰ পৰিৱৰ্তনত সেই শব্দটো গঠিত হোৱা উপাদান ধ্বনি আৰু ৰূপৰ ক্ষেত্ৰত প্ৰতিফলিত হয়। সাধাৰণতে বৰ্ণনাত্মক ভাষাবিজ্ঞানত ভাষাৰ প্ৰতিটো স্তৰ, যেনে — ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্ব সম্পৰ্কে পুংখানুপুংখভাৱে প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰা হয়।

**ধ্বনিতত্ত্ব ঃ**

ভাষাৰ অধ্যয়নত ভাষাবিজ্ঞানীয়ে ক্ষেত্ৰ অধ্যয়নৰ যোগেদি ভাষাৰ সামগ্ৰীখিনি গোটাই লয়। এই অনুসন্ধানত সাধাৰণতে দৈনন্দিন জীৱনত ব্যৱহৃত বিভিন্ন শব্দ, যেনে — শৰীৰৰ অংগ-প্ৰতংগ বুজোৱা শব্দ, ঘৰ সম্বন্ধীয় শব্দ, খাদ্য সম্বন্ধীয় শব্দ, সাজ-পাৰ সম্বন্ধীয় শব্দ, সম্বন্ধবাচক শব্দ আদি সংগ্ৰহ কৰা হয়। এনেধৰণৰ শব্দ আহৰণত সূচক অৰ্থাৎ অধ্যয়ন কৰিবলগীয়া ভাষাটো জনা লোকৰ সহায় ল'ব লাগে। সূচকজন দ্বিভাষী হোৱাটো বাঞ্ছনীয়। শব্দ সংগ্ৰহ কৰাৰ পাছত ভাষাবিজ্ঞানীৰ প্ৰধান কাম হ'ব — ধ্বনিসমূহৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়ন কৰা। প্ৰথমে, অধ্যয়ন কৰা ভাষাটোৰ উচ্চাৰিত স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিসমূহ চিনাক্ত কৰি একোখন তালিকা প্ৰস্তুত কৰি উলিয়াব লাগে। স্বৰ আৰু ব্যঞ্জনধ্বনি চিনাক্ত কৰাৰ পাছত বৰ্ণবিশ্লেষণৰ নিয়মেৰে বৰ্ণ আৰু উপধ্বনি নিৰ্ণয় কৰিব লাগে। ধ্বনিসমূহৰ পৰা বৰ্ণ চিনাক্ত কৰাৰ পাছত বৰ্ণৰ অন্তৰ্নিহিত ধ্বনিৰ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি তালিকা একোখন প্ৰস্তুত কৰিব লাগে। আনহাতে ভাষাৰ শ্বাসাঘাত বা বলাঘাত, সুৰ আৰু সুৰলহৰ আদিও ধ্বনিতত্ত্বৰ বিশ্লেষণৰ বিষয়। এনেদৰে বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ সহায়ত ভাষাটোৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ ফঁহিয়াই চাব পাৰি।

**ৰূপতত্ত্ব ঃ**

বৰ্ণনাত্মক ভাষাবিজ্ঞানে সামৰি লোৱা আন এটা দিশ হৈছে — ৰূপতত্ত্ব। ভাষাত উচ্চাৰিত হোৱা ধ্বনিসমূহ বাছি উলিওৱাৰ পাছত ধ্বনি সংযোগৰ ফলত সৃষ্টি হোৱা ৰূপসমূহৰ বিষয়ে অধ্যয়ন কৰাই ৰূপতত্ত্বৰ প্ৰধান কাম। একোটা ভাষাত বিভিন্ন শব্দৰ প্ৰয়োগ ঘটে। যেনে — বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, অব্যয়, ক্ৰিয়া-বিশেষণ ইত্যাদি। এই শব্দবোৰৰ গঠনৰীতি সম্পৰ্কে আলোচনা দাঙি ধৰা হয়। শব্দ মূল আৰু ধাতু মূলৰ লগত যোগ হোৱা বদ্ধ ৰূপ, যেনে — বিভক্তি, প্ৰত্যয় আদিৰ ভূমিকা, লিংগ নিৰ্ণয়, বচন, আদি সম্পৰ্কেও ৰূপতত্ত্বৰ আলোচনাত সামৰি লোৱা হয়।

**বাক্যতত্ত্ব ঃ**

ধ্বনি সংযোগ আৰু ৰূপ সংযোগৰ ফলত সৃষ্টি হোৱা পদসমূহক অৰ্থৰ সংগতি ৰাখি যথাস্থানত বহুৱাই বাক্য সৃষ্টি কৰা হয়। প্ৰত্যেক ভাষাৰে বাক্যবিন্যাসৰ কিছুমান নিজস্ব বৈশিষ্ট্য থাকে। সাধাৰণতে অসমীয়া ভাষাত বাক্যৰ ক্ৰম হৈছে — কৰ্তা+কৰ্ম+ক্ৰিয়া। আন ভাৰতীয় আৰ্যভাষাসমূহতো বাক্যৰ পদৰ ক্ৰম অসমীয়া ভাষাৰ সৈতে একে। কিন্তু ইংৰাজী ভাষাত কৰ্তা+ক্ৰিয়া+কৰ্ম। এনে সুকীয়া ধৰণৰ পদৰ ক্ৰম ইংৰাজী বাক্যত পৰিলক্ষিত হয়। এনেবোৰ কথা বাক্যবিন্যাসৰ ভিতৰুৱা। তদুপৰি বাক্যৰ বিভিন্ন প্ৰকাৰ, ৰূপান্তৰ প্ৰক্ৰিয়াৰ সহায়ত নতুন নতুন বাক্য সৃষ্টি আদি কথাবোৰো বাক্যতত্ত্বই সামৰি থয়। বাক্যৰ এনেবোৰ দিশৰ বিশ্লেষণ ভাষাবিজ্ঞানৰ বৰ্ণনাত্মক অধ্যয়নে সামৰি লয়।

**অৰ্থতত্ত্ব ঃ**

বৰ্ণনাত্মক ভাষাবিজ্ঞানত শব্দৰ অৰ্থৰ দিশটোও সামৰি লোৱা হয়। শব্দ আৰু অৰ্থৰ সম্বন্ধ, পৰিবেশ আৰু পৰিস্থিতি অনুসৰি শব্দৰ অৰ্থৰ ভেদ, শব্দৰ সামৰ্থ, বিপৰীতাৰ্থ আৰু শব্দৰ মাজত লুকাই থকা অন্তৰ্বৰ্তী অৰ্থৰ বিশ্লেষণ বৰ্ণনাত্মক ভাষাবিজ্ঞানে সামৰি লয়। কিছুদিনৰ আগলৈকে বৰ্ণনাত্মক ভাষাবিজ্ঞানীসকলে শব্দৰ অৰ্থৰ দিশটোৰ অধ্যয়নত বেছি গুৰুত্ব দিয়া নাছিল, বৰ্তমান এই অৰ্থৰ দিশটোত অধিক গুৰুত্ব দিয়া হৈছে আৰু নতুন নতুন দৃষ্টিভংগীৰে শব্দৰ অৰ্থৰ দিশটোৰ বিজ্ঞানসন্মত বিশ্লেষণ আগবঢ়াইছে।

ভাষা এটা বিস্তৃত অঞ্চলত বিয়পি পৰাৰ পাছত ইয়াৰ কিছুমান উপৰূপৰ সৃষ্টি হোৱা দেখা যায়। ভাষাৰ এই উপৰূপসমূহৰ অধ্যয়নকো বৰ্ণনাত্মক ভাষাবিজ্ঞানে সামৰি ল'ব খোজে। যিহেতু উপভাষাসমূহত ভাষাটোৰ কিছুমান বৈশিষ্ট্য সংৰক্ষণ হৈ থাকে। উপভাষাসমূহৰ অধ্যয়নৰ জৰিয়তে ভাষাটোৰ সম্যক ধাৰণা এটা দিব পাৰি। এনেধৰণৰ উপভাষা সম্পৰ্কীয় এখন পুথি হৈছে ড° উপেন্দ্ৰনাথ গোস্বামীৰ 'A Study in Kamrupi : A Dialect of Assamese'। বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ পদ্ধতিৰে অধ্যয়ন কৰা গ্ৰন্থৰ ভিতৰত ড° প্ৰমোদ ভট্টাচাৰ্যৰ 'A Descriptive Analysis of the Boro Language' শীৰ্ষক গ্ৰন্থখনৰ নাম ল'ব পাৰি। বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰত হাতপুথি হিচাপে ল'ব পৰা গ্ৰন্থৰ ভিতৰত — গ্লিচন (Gleason)ৰ 'An Introduction of Descriptive Linguistics' আৰু চাৰ্লচ হকেট (Charles Hocket)ৰ 'A Course in Modern Linguistics' এই কেইখন পুথি বিশেষভাৱে উল্লেখযোগ্য।

### ৬.২.২ ঐতিহাসিক ভাষাবিজ্ঞান (Historical Linguistics) ঃ